# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-08-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত জিলা প্ৰশাসন আৰু বন বিভাগে আজি পাঁচখন গাঁৱত দ্বিতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান আৰম্ভ কৰে যদিও নগালেণ্ডৰ একাংশ লোকে বাধা প্ৰদান কৰাৰ বাবে এই অভিযান বিঘ্নিত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে এই অভিযান আৰম্ভ কৰাৰ পাছতে প্ৰতিবেশী ৰাজ্যখনৰ একাংশ লোকে বাধা দিয়াক লৈ সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নাগালেণ্ড প্ৰশাসনৰ সৈতে হোৱা আলোচনা মৰ্মে সাময়িকভাৱে এই অভিযান বন্ধ কৰা হয়। পৰৱৰ্তী পৰ্যায়ত দুয়োখন ৰাজ্যৰ সীমামূৰীয়া জিলাৰ আয়ুক্তৰ মাজত আলোচনা অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে।

উল্লেখযোগ্য যে ৰাণা নগৰ, হাতীডুবি, হালধিবাৰী, দুৰ্গাপুৰ আৰু ১ নম্বৰ মধুপুৰ গাঁৱত আজি প্ৰশাসনে দ্বিতীয় পৰ্যায়ত উচ্ছেদ অভিযান আৰম্ভ কৰিছিল। এই গাঁও কেইখনৰ ৫৭ টা পৰিয়ালে উচ্ছেদৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন কৰাত ন্যায়ালয়ে আজি পৰ্যন্ত তেওঁলোকক সাময়িকভাৱে সকাহ দিছিল।

কালি বন বিভাগে পিঠাঘাট অঞ্চলৰ প্ৰায় ৩০০ বিঘা মাটি দখল কৰি তামোল বাৰী স্থাপন কৰা হাৰেশ আলী নামৰ লোকজনৰ তামোল বাৰী কাটি তহিলং কৰে। পিঠাঘাট অঞ্চলত চৰকাৰে বৃহৎ গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰিছে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ'ৱেও অংশগ্ৰহণ কৰাৰ কথা।

ইপিনে, বিশ্বনাথ জিলা প্ৰশাসনে জিলাখনৰ ননকে জাপৰিগুৰিৰ ৩০৯ টা পৰিয়ালে দখল কৰি থকা ভূমি আজি দ্বিতীয় দিনৰ বাবে চলোৱা অভিযানৰ দিনৰ ১২ বজাত সামৰণি পৰে। কটকটীয়া নিৰাপত্তাৰ মাজত এই অভিযান চলোৱা হৈছিল যদিও একাংশ উচ্ছেদিত লোকে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰাৰ অপচেষ্টা চলায়। অৱশ্যে আৰক্ষীয়ে পৰিস্থিত নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হয়। কালি ভূমিৰ চৰকাৰী জৰীপ নোহোৱা জাপৰিগুৰিৰ ১৭৫ বিঘা ভূমিত উচ্ছেদ চলোৱা হৈছিল। উল্লেখযোগ্য যে যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছিল। উচ্ছেদ অভিযানৰ বাবে অঞ্চলটো চাৰিটা মণ্ডলত ভাগ কৰা হৈছে। দুটা মণ্ডলত একোজনকৈ অতিৰিক্ত আয়ুক্তক নিয়োগ কৰা হৈছে। তদুপৰি ছজনকৈ কাৰ্যবাহী দণ্ডাধীশো নিয়োগ কৰা হৈছে।

নগাঁও জিলা প্ৰশাসনে অহা মাহৰ প্ৰথম সপ্তাহত জিলাখনত দখলকাৰীৰ কবলত থকা ১৯ হাজাৰ ৭০৯ বিঘা ভূমিক উচ্ছেদ অভিযান চলাবলৈ সাজু হৈছে। জিলাখনৰ আয়ুক্তই এই ভূমিত বসবাস কৰি থকা লোকসকলক অঞ্চলটোৰ পৰা আঁতৰি যাবলৈ আহ্বান জনাইছে।

০০০০০

অসমীয়া সমাজত পবিত্ৰ মাহ হিচাপে পৰিগণিত ভাদ মাহৰ আজি পহিলা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধবনিৰে মুখৰিত হৈ পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰীকৃষ্ণৰ জন্মোৎসৱ আৰু মহাপুৰুষ দুজনাৰ পূণ্য তিথি পালন কৰা এই পবিত্ৰ মাহটোত হৰিনামৰ ধবনিয়ে আধ্যাত্মিক চিন্তা-চেতনাৰে আমাৰ উজ্জীৱিত কৰি ৰাখে বুলি মন্তব্য কৰে। ড০ শৰ্মাই পহিলা ভাদৰ দিনটোত ৰাজ্যবাসীলৈ শুভেচ্ছা যাঁচি অসমীয়া সমাজৰ শান্তি-সম্প্ৰীতি অক্ষুণ্ণ ৰখাৰ কামনা কৰে।

অসমীয়া বৈষ্ণৱ সমাজত বিশেষ তাৎপৰ্য বহন কৰা এই মাহজুৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহত নাম প্ৰসংগ অনুষ্ঠিত হয়। সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলীৰ সত্ৰ নামঘৰসমূহ আজি পহিলা ভাদ উপলক্ষে নাম-প্ৰসংগ, বৰগীত, গুণমালা-কীৰ্তন আৰু হৰিনামৰ ধবনিৰে মুখৰিত হৈ পৰে। জিলাখনৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত আজিৰে পৰা মাহজোৰা নামকীৰ্তনৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱা থানতো  ভাদ মাহ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। একেদৰে বৰপেটাৰ কীৰ্তন ঘৰ, যোৰহাট জিলাৰ টীয়কৰ ঐতিহাসিক শ্ৰীশ্ৰীমাধৱদেৱ প্ৰতিষ্ঠিত ঢেকীয়াখোৱা নামঘৰ, মহাপুৰুষ শংকৰদেৱ তিৰোভাৱ ক্ষেত্ৰ কোচবিহাৰৰ মধুপুৰ সত্ৰ, ধুবুৰীৰ ঐতিহ্যমণ্ডিত ৰামৰায়কুটি, মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান নাৰায়ণপুৰৰ লেটেকুপুখুৰীতো আজিৰে পৰা পৱিত্ৰ ভাদ মাহৰ চাৰি প্ৰসংগীয়া নাম আয়োজন কৰা হৈছে। ভাদ মাহ উপলক্ষে ঢেকীয়াখোৱা নামঘৰত অগণন ভক্তক আদৰিবৰ বাবে নামঘৰ পৰিচালনা সমিতি সাজু হৈ উঠিছে। তদুপৰি ভক্তসকলৰ সুবিধাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষীৰ লগতে স্বেচ্ছাসেৱীসকলে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰীৰ শিলপুখুৰী মহিলা নামঘৰ, আমবাৰীৰ গোপাল কৃষ্ণ নামঘৰ, নুনমাটিৰ শংকৰী কৃষ্টি নামঘৰকে ধৰি বিভিন্ন ৰাজহুৱা নামঘৰসমূহতো ভক্তপ্ৰাণ ৰাইজে ভাদ মাহৰ নাম পৰিৱেশন কৰিছে।

০০০০০

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি ডিফুৰ লাংকুং হাবে টাউন হলত খাদ্য সুৰক্ষা আইন-২০১৩ৰ অধীনত ৰাজসাহায্যযুক্ত খাদ্য বিতৰণ সন্দৰ্ভত এখন সজাগতা সভাত অংশগ্ৰহণ কৰে। এই সভাত সুলভ মূল্যৰ সামগ্ৰীৰ দোকানীসকল আৰু বৃহত্তৰ এলেকা বহুমুখী সমাজ অৰ্থাৎ লেম্পছৰ অধ্যক্ষ, সম্পাদকৰ সৈতে মন্ত্ৰীগৰাকীয়ে মত বিনিময় কৰে। মন্ত্ৰী ৰায়ে হিতাধিকাৰীসকলক নিৰ্ধাৰিত চৰকাৰী নিৰিখত আৰু উচিত ওজনত মচুৰ দাইল, নিমখ আৰু চেনি বিতৰণ কৰিবলৈ দোকানীসকলক আহ্বান জনায়। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে পৰিষদৰ অন্তৰ্গত দুয়োখন পাৰ্বত্য জিলাত বসবাস কৰা আৰ্থিকভাৱে পিছপৰা পৰিয়ালসমূহক নতুন ৰেচন কাৰ্ড দিবলৈ মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। আজিৰ সভাত জিলাখনৰ অভিভাৱক মন্ত্ৰী নন্দিতা গাৰ্লোচাৰ লগতে বিভাগীয় অতিৰিক্ত সচিব, সঞ্চালক আৰু জিলা আয়ুক্ত উপায়ুক্ত উপস্থিত আছিল।

ইয়াৰ পূৰ্বে মন্ত্ৰী শ্ৰীৰায়ে হোজাই জিলাৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ প্ৰেক্ষাগৃহত সকলো সুলভ মূল্যৰ দোকানী আৰু গাঁও পঞ্চায়তৰ সমবায় সমিতিসমূহৰ সৈতে বিভাগীয় অভিলাষী আঁচনি বিষয়ত এখন সজাগতামূলক সভাত উপস্থিত থাকে।

০০০০০

অবৈধ বিদেশী নাগৰিকক চিনাক্ত কৰি বাতাৰণৰ দাবীৰে উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সন্থা অৰ্থাৎ নেছ্‌'ৰ আহ্বানত আজি ৰাজ্যৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰ জিলা সদৰত ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নেছ্‌'ৰ আহ্বান মৰ্মে আৰু সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আজি গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত এই কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰতিবাদকাৰী সদস্যসকলে ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰা, অবৈধ বাংলাদেশী নাগৰিকক বহিষ্কাৰ, শুদ্ধ এন আৰ চি, অসম চুক্তি ৰূপায়ণকে ধৰি কেইবাটাও দাবী তোলে। নেছ্‌'ৰ উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যই অবৈধ বিদেশী নাগৰিকৰ প্ৰব্ৰজনে অসমৰ ভাষা-সংস্কৃতি, অৰ্থনীতিত পেলোৱা নেতিবাচক প্ৰভাবৰ বিষয়ে উল্লেখ কৰাৰ লগতে উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যই ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে বুলি মন্তব্য কৰে।

ooooo

সমাপ্ত